**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 08-12-2025** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## ***Headlines***

১। ২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলক ড° বাণীকান্ত কাকতি মেধা বঁটা আঁচনিৰ অধীনত স্কুটাৰ প্ৰদান

২। তেজপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য শম্ভুনাথ সিঙক কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা বিভাগৰ নিৰ্দেশত প্ৰশাসনিক দায়িত্বৰ পৰা কিছুদিনৰ বাবে অব্যাহতি

৩। লোকসভাত আজি ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বিশেষ আলোচনা।

আৰু

৪। গুৱাহাটীৰ খানাপাৰাত আজি হ'বলগীয়া প্ৰখ্যাত আমেৰিকান সংগীত শিল্পী পোষ্ট মেলনৰ সংগীতানুষ্ঠানৰ পৰিপ্ৰেক্ষিতত মহানগৰ আৰক্ষীৰ যান-বাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নীতি নিৰ্দেশনা।

0000000

২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলক ড° বাণীকান্ত কাকতি মেধা বঁটা আঁচনিৰ অধীনত আজি স্কুটাৰ প্ৰদান কৰা হৈছে। এইবাৰ এই বঁটা লাভ কৰা ১১ হাজাৰ ২৫০ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৬ হাজাৰ ৮৬০ গৰাকী ছাত্ৰী আৰু ৪ হাজাৰ ৩৯০ গৰাকী ছাত্ৰ আছে। গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অংশ লৈছে। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে স্কুটাৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক যানবাহন চলোৱাৰ নীতি-নিয়ম মানি চলিবলৈ আহ্বান জনায়।

বাইট

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ সুবিধা লাভ কৰা ছাত্ৰীয়ে এই বঁটা লাভ নকৰে।

0000000

———তেজপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য শম্ভুনাথ সিঙৰ বিৰুদ্ধে উত্থাপিত হোৱা অনিয়মৰ পৰিপ্ৰেক্ষিতত কালি কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা বিভাগে তেওঁক উপাচাৰ্যৰ প্ৰশাসনিক দায়িত্বৰ পৰা কিছুদিনৰ বাবে অব্যাহতি দিয়ে। উপাচাৰ্যজনৰ বিৰুদ্ধে উত্থাপিত দুৰ্নীতি অনিয়মৰ অভিযোগসমূহৰ বুজ ল'বলৈ বিশ্ববিদ্যালয়খনত উপস্থিত হোৱা কেন্দ্ৰীয় শিক্ষা বিভাগৰ উচ্চ পৰ্যায়ৰ দলটোৱে ভাৰপ্ৰাপ্ত উপাচাৰ্য অধ্যাপক ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্য আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতিনিধিসহ ঐক্যমঞ্চৰ বিষয়ববীয়াসকলৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। কেন্দ্ৰীয় শিক্ষা বিভাগৰ সচিব আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ কাৰ্যবাহী অধ্যক্ষ ড° বিনীত যোশী আৰু যুটীয়া সচিব সৌম্য গুপ্তাকে ধৰি তিনিজনীয়া দলটোৱে বৈঠকৰ অন্তত সমগ্ৰ বিষয়টো শিক্ষা মন্ত্ৰালয়ক পৰৱৰ্তী পদক্ষেপৰ বাবে অৱগত

কৰিব বুলি সদৰী কৰে। তদন্ত প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱালৈকে শম্ভুনাথ সিং কোনো প্ৰশাসনিক পদত অথবা দায়িত্বত নাথাকিব বুলিও দলটোৱে জানিবলৈ দিয়ে।

বাইট

উল্লেখযোগ্য যে, যোৱা ৪ ডিচেম্বৰত বিশ্ববিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীয়ে ১৯৯৩ চনৰ তেজপুৰ বিশ্ববিদ্যালয় আইনৰ দুই নম্বৰ অনুচ্ছেদৰ ছয় নম্বৰ দফা অনুসৰি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যগৰাকী এমাহতকৈ অধিক দিন দায়িত্বৰ পৰা আঁতৰি থকাৰ পৰিপ্ৰেক্ষিতত জ্যেষ্ঠ অধ্যাপক ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্যক ভাৰপ্ৰাপ্ত উপাচাৰ্যৰ দায়িত্ব অৰ্পণ কৰে। পৰৱৰ্তী সময়ত কেন্দ্ৰীয় শিক্ষা বিভাগে অধ্যাপক ভট্টাচাৰ্যৰ এই নিযুক্তিত অনুমোদন প্ৰদান কৰে।

০০০০০০০

লোকসভাত আজি ৰাষ্ট্ৰীয় গীত **বন্দে মাতৰমৰ** ১৫০ বছৰ সম্পূৰ্ণ হোৱাৰ সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই আলোচনা আৰম্ভ কৰে। আলোচনাৰ বাবে ১০ ঘণ্টা সময় দিয়া হৈছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ অধ্যক্ষতাত পূৰ্বে অনুষ্ঠিত সৰ্বদলীয় বৈঠকতে আজি **বন্দে মাতৰম** আৰু কাইলৈ ভোটাৰ তালিকাৰ সংশোধনী সন্দৰ্ভত আলোচনা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল।

০০০০০০০

গুৱাহাটীৰ খানাপাৰাত আজি হ'বলগীয়া প্ৰখ্যাত আমেৰিকান সংগীত শিল্পী পোষ্ট মেলনৰ সংগীতানুষ্ঠানৰ পৰিপ্ৰেক্ষিতত মহানগৰ আৰক্ষীয়ে যান-বাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নীতি নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি ৰাষ্ট্ৰীয় ঘাইপথৰ কেইবাটাও স্থানত যান-বাহন ৰখোৱাত বাধা আৰোপ কৰাৰ লগতে বেলতলা, ছয়মাইল আৰু খানাপাৰাৰ আশে-পাশে যান-বাহন ৰখোৱাৰ বাবে আৰক্ষীয়ে সু-নিৰ্দিষ্ট ব্যৱস্থা গ্ৰহণ কৰিছে বুলি মহানগৰ আৰক্ষীয়ে সংবাদমেলত উল্লেখ কৰে।

জনসাধাৰণৰ সুৰক্ষা আৰু মহানগৰীখনৰ যান-বাহন চলাচলৰ ক্ষেত্ৰত অসুবিধা হ্ৰাস কৰিবলৈ এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি মহানগৰ আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০

**সমাপ্ত**